# Assam Legislative Assembly Debates

## OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## SEPTEMBER SESSION

### VOLUME V

### No. 1

The 3rd September 1984

1989
PRINTED AT THE BISMOI PRINTERS
GUWAHATI-3

**Debates of the Assam Legislative Assembly, 1984**

(September Session)

Vol. V :: No. 1

The 3rd September, 1984

CONTENTS : Page


| | | |
|---|---|---|
| 1. | Questions | 1—21 |
| 2. | Calling attention Notice | 22—25 |
| 3. | Matter under Rule 301 | 25—29 |
| 4. | Report of the Business Advisory Committee | 29—30 |
| 5. | Laying of Rules, reports etc. | 30—31 |
| 6. | Election of Members to Legislative Committees | 31—33 |
| 7. | Introduction of Government Bills | 33 |
| 8. | Obituary Reference | 33—35 |
| 9. | Adjournment | 35 |

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FOURTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## SEPTEMBER SESSION

Volume V

No. 1

Dated, the 3rd September, 1984

**Proceedings of the Fifth Session of the Assam Legislative Assembly Assembled After the Fourth General Elections Under the Sovereign Democratic Republican Constitution of India**

The House met in the Assembly Chamber, Dispur, Guwahati on Monday, the 3rd September, 1984, with the Hon. Speaker, in the Chair, 18 (eighteen) Ministers, 18 (eighteen) Ministers of State, and 63 (sixty three) Members present.

STARRED

# QUESTIONS AND ANSWERS

(To which oral replies were given)

Date : 3rd September, 1984

**Re : Basic Training Centre at Diphu**

Shri Kaizasong asked :

*1. Will the Minister, Education be pleased to state—

(a) Is it a fact that the Government is going to establish one New Basic Training Centre at Diphu ?

(b) If so, when the work will be started ?

Shri Mukut Sarma (Minister, Education) replied :

1. (a) —Yes.

(b) —The Basic Training Centre will be started shortly.

শ্ৰীচিৰাজুদ্দিন ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমানখন বেচিক ট্ৰেইনিং চেণ্টাৰ আছে ? এই কেইখন গোটেই অসমৰ শিক্ষক সকলক প্ৰশিক্ষন দিয়াৰ কাৰণে যথেষ্ট বুলি ভাবেনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : বেচিক ট্ৰেইনিং চেণ্টাৰ বৰ্তমান যিমান কেইখন আছে সেই কেইখনেই যথেষ্ট হৈ আছে। তাৰোপৰি কেইখনমান বেচিক ট্ৰেইনিং চেণ্টাৰত, যেনে মৰিগাওঁত কৰ্ট চলি থকাৰ কাৰণে সেইখন ব্যৱহাৰ কৰিব পৰা নাই। এইবিলাক ব্যৱহাৰ কৰিব পৰা হলে আমাৰ যথেষ্ট হব বুলি ভাবিছো।

শ্ৰীচিৰাজুদ্দিন ঃ মহিলাৰ কাৰণে বেলেগ প্ৰশিক্ষন কেন্দ্ৰ খোলাৰ ব্যৱস্থা কৰিছেনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : আমি সোনকালেই ব্যৱস্থা কৰিম।

শ্ৰীমথুৰা ডেকা ঃ মন্ত্ৰী মহোদয়ে সোনকালে কৰা হব বুলি কৈছে। সেই সোনকালটো কেতিয়া হব জনাবনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ যিমান সোনকালে কৰিব পৰা যায় সিমান সোনকালে কৰা হব।

শ্ৰীবজলুল বাচিত ঃ ডিফুত যিটো ট্ৰেইনিং চেণ্টাৰ খোলা হব তাত কিমান প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ লব পাৰিব ?

শ্ৰীমুকুত শৰ্মা (মন্ত্ৰী ঃ এই চেণ্টাৰটো এতিয়াও হৈ উঠা নাই। হৈ উঠিলেহে কিমান প্ৰশিক্ষন দিব পৰা হব, কব পৰা যাব।

Shri Kaizasong : May I know from the Minister the specific time when the Centre will be started because it is not clearly indicated by the Minister ?

Shri Mukut Sarma (Minister) : It is under process and will be taken up very shortly.

শ্ৰীআফজালুৰ ৰহমান : ডিফুৰ যিটো কেন্দ্ৰ খোলা হব সেইটো গোটেই জিলাখনৰ কাৰণে যথেষ্ট হবনে।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ ট্ৰেইনিং চেণ্টাৰ বিলাক একোখন জিলাৰ কাৰণে খোলা নহয়। গোটেই অসমৰ ভিত্তিত খোলা হয়।

শ্ৰীদেবেন চক্ৰবৰ্ত্তী ঃ এই কেন্দ্ৰবিলাকত কোন ভাষাৰ মাধ্যমত প্ৰশিক্ষন দিয়া হয়।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ সাধাৰণতে অসমীয়া ভাষাত দিয়া হয়। কিন্তু কাচাৰ আৰু কোকোৰাজাৰত বঙালি আৰু বৰো মাধ্যমত দিয়া হয়।

শ্ৰীদেবেশ চক্ৰবৰ্ত্তী ঃ লিংগুইচটিক মাইনৰিটিক প্ৰশিক্ষন দিয়াৰ কাৰণে কিবা বেলেগ ব্যৱস্থা আছেনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : কাচাৰৰ কাৰণে ব্যৱস্থা আছে।

শ্ৰীদেবেশ চক্ৰবৰ্ত্তী ঃ লিংগুইচটিক মাইনৰিটিৰ কাৰণে চেণ্টাৰ খোলা হৈছেনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : লিংগুইচটিক মাইনৰিটি হিচাবে নাই। গোটেই অসম ভিত্তিতহে আছে।

শ্ৰীবিমল গয়াৰি ঃ কোকোৰাজাৰত যি বৰো মাধ্যমৰ কেন্দ্ৰ আছে সেইটো যথেষ্ট নে ? কাৰণ আমি জনাত ৩ হাজাৰমান বৰো মাধ্যমৰ স্কুল আছে।

আৰু একোটা সময়ত ১০০ জনমানকৈহে প্ৰশিক্ষন দিব পৰা হয়। তেনে অৱস্থাত এই সকলোবিলাকক প্ৰশিক্ষন দিবলৈ কিমান দিন লাগিব ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ ইয়াৰ কাৰণে ব্যৱস্থা লোৱা হব।

শ্ৰীবলোৰাম নাগ ঃ বেচিক ট্ৰেইনিং চেণ্টাৰ বিলাকত চাহ বাগিচাৰ শিক্ষকক প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা আছেনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ কেন্দ্ৰবিলাক সকলোৰে কাৰণেই কৰা হৈছে।

শ্ৰীবলোৰাম নাগ : চাহ বাগিচাৰ কিমান শিক্ষকক আজিলৈকে প্ৰশিক্ষন দিয়া হৈছে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : ইয়াৰ কাৰণে বেলেগে প্ৰশ্ন লাগিব।

ডঃ তাৰিনী মোহন বৰুৱা : হিন্দী শিক্ষক সকলক কেনেকৈ প্ৰশিক্ষন দিয়া হয়।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ সকলোকেই প্ৰশিক্ষন দি অহা হৈছে।

### Re : Benefit of Loan Scheme

Shri Mohammed Ali asked :

*2. Will the Minister, Irrigation be pleased to state—

(a) The member of families so far benefitted by the Loan Scheme of Assam State Minor Irrigation Development Corporation Limited for installation of S.T.W. (Shallow Tube Well) throughout the State ?

(b) The amount of investment in the lone Scheme ?

(c) The amount already realised from the loanee ?

(d) The percentage of loan realisation ?

Shri Zehirul Islam (Minister, Irrigation) replied :

2. (a) —16,000 families upto July, 1984.

(b) —Total investment Rs. 926 lakhs out of which Rs. 509 lakhs is loan component.

(c) —Rs. 15·30 lakhs upto June 1984,

(d) —27 per cent.

শ্ৰীমহম্মদ আলী ঃ অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে চৰকাৰে বৰ্তমান ঋণ আদায় কৰিবৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে। আমিদেখিবলৈ পাইছো যে কৰপৰেচনে ঋণ আদায় কৰাৰ কাৰণে কোনো বিশেষ ব্যৱস্থা লোৱা নাই। বৰ্তমান যিবিলাক ব্যৱস্থা আছে তাৰদ্বাৰা ঋণ আদায় হোৱা নাই। কৰপৰেচনে এই ঋণ আদায় কৰাৰ কাৰণে কিবা পদ্ধতি গ্ৰহণ কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী): কৰপৰেচনে ১৯৮২ চনতে ব্যৱস্থা কৰি দিছে। এই ঋণ ৭টা ষ্টলমেণ্টত আদায় দিব লাগে। কোনো কোনো কোনো ঠাইত ভালধৰণেৰেই ঋণ আদায় হৈছে। যেনে ডিব্ৰুগড়ত শতকৰা ৬০ ভাগ ঋণ আদায় হৈছে। কোনো কোনো ঠাইত শতকৰা ৯/১০ ভাগ হৈছে। যিহেতুকে এই ঋণ আদায় দিয়াৰ শেষ দিন ১৯৯১ চনলৈকে আছে, গতিকে তেতিয়াহে ক'ব পৰা হয় কিমান ঋণ আদায় হৈছে। ঋণ আদায় কৰাৰ ক্ষেত্ৰত কিছুমান ঠাইত বাধাৰ সৃষ্টি হৈছে। কিছুমান গাঁৱলীয়া মুখীয়াল লোকে ঋণ আদায় দিবলৈ নিদিয়ে। এইবিলাক কাৰণতে ঋণ আদায় কৰাত অসুবিধা হৈছে। বৰ্তমান যি পদ্ধতি চলি আহিছে ঋণ আদায় কৰাৰ ক্ষেত্ৰত আমি জনাত ইয়াতকৈ আৰু সহজ পদ্ধতি একো নাই। তাৰোপৰি যোৱা বৰ্ডৰ সভাত কিছুমান সিদ্ধান্ত লোৱা হৈছে। এই সিদ্ধান্ত কাৰ্যকৰী হ'লে ঋণ আদায় কৰা আৰু সহজ হ'ব।

শ্ৰীহেমেন দাস :— মই জানিব বিচাৰিছো যে ঋণ দিয়াৰ পদ্ধতিটো কি ? এই সম্পৰ্কত বৰ্ডত ৫৫ জনক ঋণ দিবলৈ কোৱা হ'ল বলকত। কিন্তু পিচত দেখা গ'ল যে মাত্ৰ ৫ জনকহে ঋণ দিয়া হৈছে এটা বলকত। বাকী বিলাক পৰি আছে। তেওঁলোকে কিছুমান গাঁও বাচি দিছিল। গতিকে ঋণ দিয়াৰ পদ্ধতি সম্পৰ্কত কি কৰা হ'ল ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ— আমি যিটো পদ্ধতিত ঋণ দিয়াৰ ব্যৱস্থা কৰিছো তাতকৈ সহজ পদ্ধতি আমি জনাত একো নাই। আগতে যিবিলাক ব্যৱস্থা আছিল সেইবিলাক ফেইলৰ হোৱাৰ কাৰণে পদ্ধতিবিলাক সহজ কৰা হৈছে। এতিয়া বেংকৰ ওচৰলৈও যাব নালাগে। শ্ৰীযুত দাসে যিটো কথা কৈছে সেইটো অনুসন্ধান কৰি চাম।

শ্ৰীহেমেন দাস :— লন খেতিয়কে ল'ব খোজে আৰু বিভাগেও দিব খোজে, কিন্তু মাজতে এনে এটা পদ্ধতি কৰি দিয়া হৈছে যে লন নাপায়। ক্লাচটাৰড্ ভিলেজৰ বহু মানুহ আহিছে, বিভাগে লন দিব নোৱাৰে।

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) তেনেকুৱা ব্যৱস্থা লোৱা হ'ব।

শ্ৰীবাজলুল ৰচিদ ঃ কোন এজেন্সিয়ে লন বিলাক ৰিয়েলাইজ কৰিছে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ— বিভাগীয় অফিচাৰে ৰিয়েলাইজ কৰে।

শ্ৰীআফজুলৰ ৰহমান ;— কৰপৰেচন খোলাৰ সময়ত চৰকাৰে এটা কথাৰ ওপৰত জোৰ দিছিল যে ব্লকে ব্লকে ৰিমট ভিলেজত ব্ৰান্স অফিচ খোলা হ'ব আৰু সেইমতে চেল টিউব ওৱেলাৰ কাৰণে পাঁচ কোটি টকাৰ গ্ৰাণ্ট দিয়া হৈছে। এতিয়া ব্ৰান্সবিলাক খোলা হৈছেনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ— কথাটো বুজা নাই।

শ্ৰীআফজুলৰ ৰহমান ঃ— কৰপৰেচনৰ ব্ৰান্সবিলাক দুৰণিৰ গাঁওবিলাকত কৰিব লাগিব, যাতে দুৰণিৰ গাঁৱৰ মানুহে লনবিলাক সহজে ল'ব পাৰে আৰু দিব পাৰে। এইটো আইদিয়াৰ ওপৰত ভিত্তি কৰি পাঁচ কোটি টকা গ্ৰাণ্ট হৈছিল। এই ব্ৰান্সবিলাক খোলা হৈছে নেকি ? যদি খোলা নাই খোলাৰ ব্যৱস্থা হাতত লৈছে নেকি ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ—গাঁও অঞ্চলৰ কাৰণে সেইটো কৰা হৈছে। খেতিয়কৰ লনৰ সুবিধাৰ কাৰণে বিভিন্ন অঞ্চলত ইঞ্জিনিয়াৰ ৰাখি থোৱা হৈছে। ফাণ্ডৰ কথা আছে, গতিকে ব্ৰান্স বঢ়োৱাৰ কথাটো নিশ্চয় চেষ্টা কৰা হ'ব।

শ্ৰীআফজলুৰ ৰহমান :— কৰপৰেচন গঠন হোৱাৰ সময়ত সিদ্ধান্ত আছিল যে খাচ মাটিয়েই হওক বা পট্টা লেণ্ড ম্যাদী লেণ্ড হওক চাৰ্কেল অফিচাৰে যদি চাৰ্টিফিকেট দিয়ে যে ফাৰ্মাৰজনে যদি খেতি কৰি আছে সেইজন মানুহক লন দিয়া হ'ব। গতিকে সেই আইদিয়াৰ পৰা এতিয়া লন দিয়াৰ ক্ষেত্ৰত কিয় বিৰত হৈছে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— মাটি আছে নে নাই এই কথাটো যদি চাৰ্কেল অফিচাৰে দিয়ে তেন্তে লন দিয়াত আপত্তি নাই।

শ্ৰীআফজলুৰ ৰহমান ঃ— খাচ মাটিয়েই হওক বা একচনীয়া মাটিয়েই হওক ডি. চিয়ে, চাৰ্কেল অফিচাৰে খেতি কৰি থকাৰ চাৰ্টিফিকেট দিছে। দুখীয়া খেতিয়ক কেইজনৰ আজি ম্যাদী পট্টা আছে ? গতিকে বৰ্ডৰ সিদ্ধান্ত পালন কৰিবৰ কাৰণে চেষ্টা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) :— একচনীয়া মাটি দখল কৰি আছে তেওঁলোকক লন দিয়াৰ ক্ষেত্ৰত অসুবিধা হোৱা নাই।

শ্ৰীছাচান উদ্দিন আহমেদ :— গোৱালপাৰা জিলাত চেল টিউব ওৱেল কিমানে পাইছে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ— সেইটো তথ্য মোৰ হাতত নাই।

শ্ৰীচিৰাজউদ্দিন আহমেদ ঃ— ধুবুৰী জিলাত বানপানী হোৱাৰ ফলত মানুহবিলাকে আঁচনিৰ কোনো সুবিধা পোৱা নাই। গতিকে লনবিলাক ৰেহাই দিয়াৰ ব্যৱস্থা ল'বনেকি ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী :— তদন্ত কৰি চোৱা হ'ব।

### Re : Allocation of Hospitals in TSP Areas

Shri Binoy Kumar Basumatari asked :

*3, Will the Minister, W.P.T. & B.C. be pleased to state—

(a) Whether the Advisory Council for Scheduled Tribes (Plains) decided to allocate 3 (three) thirty bedded hospitals in each of T.S.P. areas ?

(b) If so, the places selected for this purpose ?

(c) Whether, it is a fact that these selected places have now been rejected by the Government on the ground that these places are not equiped with P.H.Cs ?

(d) If so, whether it is possible to locate 30 bedded Hospitals in any T.S.P. areas in the State ?

Shri Ranendra Narayan Basumatari (Minister, WPT & BC) replied :

3. (a) —No.

(b) —Does not arise.

(c) —Does not arise.

(d) —It may be possible.

Shri Benoy Kr. Basumatary : Will the Honourable Minister confirm that 3, 30 beded hospitals have been selected by the last Advisory Council for welfare of ST (P) at Dispur about 3 months back ?

Shri Ranendra Narayan Basumatary (Minister) : The Construction of 3, 30 beded hospitals has not been confirmed yet, What happened is this. In the last meeting

of the Advisory Council a decision was taken to request the Health Deptt. that for each of the Constituencies represented by Plains Tribal M.L.As should get at least one subsidiary Health Centre and two Medical Health Centres. The hon. member has made a demand that there should be one 30 beded hospital at Panery and we have forwarded his views to the Health Department and we hope this will be considered by the Health Deptt. soon.

Shri Benoy Kr. Basumatary: My question relates to 3 (c). The Medical Deptt. has come up with some rules that it is only the P.H.Es that can be converted to the 30 beded hospitals in that case no TSP area in the State get a 30 beded hospital.

Shri Ranendra Narayan Basumatary (Minister): There are some PHEs in TSP areas also, for example, Datma, Haridonga, Mushalpur.

Shri Benoy Kumar Basumatary: In Udalguri there is not a single PHE. Will the Minister assure that this 30 beded hospital will be given by overlooking the rules ?

Shri Ranendra Narayan Basumatary (Minister): Already Sir, a plan and estimate has come for the construction of the subsidiary Health Centre, I mean for the upgradation of the State Dispensary to Health Centre. Which is under consideration. About the relaxation of rules we will take up with the Health Deptt. it being a tribal area.

**Re : Attendance of College Teachers**

Shri Debesh Chakravarty asked :

*4. Will the Minister, Education be pleased to state—Whether the teachers of the Colleges under deficit system of grants-in-aid should attend College regularly

when there is no holiday or vacation ?

Shri Mukut Sarma (Minister, Education) replied :
4. —Yes.

Shri Debesh Chakravarty : Mr. Speaker, Sir, will the Minister-in-charge, Education state whether there is a provision of signing attendance register by the teachers in the Colleges ?

Shri Mukut Sharma (Minister, Education) : Yes, Sir.

Shri Debesh Chakravarty : Sir, will the Minister kindly state whether the Directorate has passed any order that the teachers may not attend the college when there is no classes or examination ?

Shri Mukut Sarma (Minister, Education) : When there is no class what is the use ?

Shri Debesh Chakravarty : Sir, the Minister has stated that the teachers are required to attend colleges when there is no holiday or vacation ; the point is when the colleges are open and examinations go on, the teachers who are not on invigilation duties whether they are required to sign the attendance registers in the colleges ?

Shri Mukut Sarma (Minister, Education) : Not necessarily.

**Re : Proposal for recognition to M. E. School**

Shri Hemen Das asked :

*5. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the D.P.I., Assam received proposal from Inspector of Schools, K.D.C. for according permission or recognition to the following M.E. Schools ?

[1] Merajul M.E. Madrassa Vill — Saupur.

[2] Dakshin Barnagar M. E. School, Vill— Dulchin Bherbheri.

[3] Madhya Barnagar M.E. School
Vill— Dakhin Gonakguri.

(b) Whether the permission or recognition has been accorded ?

Shri Mukut Sarma (Minister, Education) replied :

5. (a) —Yes.

[1] Received on 17th September 1983.

[2] Received on 13 February, 1984.

[3] Received on 10th January, 1984.

(b) —[i] Provisional permission was accorded to Merajul M.E. Madrassa.

[ii] Provisional Recognition was accorded to Dakhin Barnagar M.E. School.

[iii] Permission was refused to Madhya Barnagar M.E. School.

শ্ৰীহেমেন দাস : ১৯৮৩ চনৰ চেপ্তেম্বৰ মাহত ইন্সপেক্টৰে প্ৰপজেল পঠাইছে আৰু আগষ্ট মাহত এম, ই, মাদ্ৰাছাৰ অনুমতি দিছে। ইমান দিনে কিয় হোৱা নাছিল ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : সেইটো তথ্য মোৰ হাতত নাই।

শ্ৰীহেমেন দাস : চেপ্তেম্বৰ মাহত প্ৰপজেল পঠাইছে আৰু আগষ্ট মাহত অনুমতি দিছে। জানুৱাৰী, ফেব্ৰুৱাৰী মাহত পঠোৱা প্ৰপজেলত স্বীকৃতি দিছে। এইটো কিয় হবলৈ পাইছে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : এম, ইৰ পাৰ্মিচন আৰু ৰিকগনিচনৰ ক্ষেত্ৰত গোটেই অসমৰ পৰা বহুখিনি প্ৰপজেল আহিছে আৰু সেইবোৰ পৰীক্ষা নিৰীক্ষা কৰাৰ কাৰণে ডি, পি, আইক সভাপতি হিচাবে লৈ এখন কমিটি কৰা হৈছে। পাৰ্মিচন আৰু ৰিকগনিচনৰ ক্ষেত্ৰত বহুত পলম হয় কাৰণে জিলাহৈ পঠাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইন্সপেক্টৰ অব স্কুল সভাপতি, ডি, ই, ই, কনভেনৰ আৰু সংশ্লিষ্ট ডি, আই সকলক লৈ কমিটি কৰি দিছো যাতে সোনকালে সিদ্ধান্ত কৰিব পৰা ব্যৱস্থা হয়।

শ্ৰীহেমেন দাস ঃ চেপ্তেম্বৰৰ পিচত পঠোৱা প্ৰপজেলৰ কিমানখিনি এম, ই, স্কুলক বৰপেটাৰ জিলাৰ স্বীকৃতি দিছে। স্বীকৃতি দিয়াৰ কাৰণে কিয় এবছৰ সময় অপেক্ষা কৰিব লাগে ইয়াৰ কাৰণ অনুসন্ধান কৰিবনে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : এইটো তথ্য মোৰ হাতত নাই। নিশ্চয় বিবেচনা কৰা হব।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে, চেপ্তেমবৰৰ পিচত বৰপেটা জিলাৰ কিমানখন স্কুল চৰকাৰে স্বীকৃতি দিলে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : এই সকলো তথ্য মই নিশ্চয় মাননীয় সদস্য সকলক জানিবলৈ দিব পাৰিম পিচত।

শ্ৰীহাচানউদ্দিন আহমেদ : মই এইটো কথা জানিবলৈ বিছাৰিছো যে, এম, ই আৰু মাদ্ৰাচা স্কুল বিলাকৰ স্বীকৃতি দিয়া হোৱা নাই? মোৰ গোৱালপাৰা জিলাতে মিটিং হল কিন্তু আজিলৈকে স্কুল বিলাকক স্বীকৃতি দিয়া হোৱা নাই।

শ্ৰীমুকুত শৰ্মা (মন্ত্ৰী) : এইবিলাক সকলো তথ্যপাতি আপোনাক জনাব পাৰিম পিচত।

শ্ৰীহেমেন দাস :— অধ্যক্ষ মহোদয়, একোখন ভেনচাৰ স্কুল পত্তাৰে জুলুম হয়। এইবিলাক স্কুলৰ স্বকৃতিৰ বাবে ১২।১৩ বাৰ ডি, পি, আই অফিচলৈ আহিব লগা হয়। আনহাতে দেখা যায় কিছুমান স্কুলৰ প্ৰপজেল তহাৰ পিচতেই পাৰমিচন পায়। এইটো অনুসন্ধান কৰিবনে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) :— এইটো নিয়ম হোৱাৰ পৰা আমি নিজেই অসুবিধাও পাইছো। এই অসুবিধা দূৰ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

Shri Afzalur Rahman ; Mr. Speaker, sir, will the Minister of Education be pleased to admit that the late accordance of permission to Merajul M. E. Madrassa tentamounts to a/kick to democracy?

Shri Mukut Sarma (Minister) : How does it come here sir?

Shri Md. Umaruddin : Sir, as a process of decentralisation district level committees have been set up for according permission or recognition to schools. If it is so, may I know from the Hon. Minister whether the district

level committee as Inspector of School as its chairman and others as member is not competents enough to give recognition ? Why it has to be referred to the D.P.I. ?

শ্ৰীজয়নাল আবেদিন ঃ— ডিষ্টিক লেভেলত যিবিলাক স্কুলক পাৰমিচন দিয়া হৈছে সেইবিলাকৰ কাম কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হ'ব ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— ১৯৮৪ চনৰ মে' মাহলৈকে যিমানবিলাক পালো সেইবিলাকৰ কাম আমি কৰিম আৰু তাৰ পিচৰবিলাকৰ ডিষ্টিক লেভেলত কাম কৰা হ'ব।

Shri Md. Umaruddin : Sir, is there any necessity that the Committee at the district level formed by the Government with a view to help quick award of recognition to deserving schools, should refer it to the D.P.I. for recognition. This district level committee has been formed for decentralisation, and unless it is competent to accord permission and is required to refer to D.P.I. for permission than what is the use of such a committee, may I know ?

Shri Mukut Sarma, (Minister) : Sir, we will consider the suggestion of the. Member.

Shri Hassan Uddin Ahmed : Sir, if the district level committee with Inspector of Schools as its chairman cannot accord permission to a deserving school, then what is the use of forming such a committee ?

Shri Mukut Sarma (Minister) : We will consider the suggestion sir.

Shri Silvius Condpan : Sir, as far as we know about four years ago the system of according recognition to M.E. Schools by I.S. was introduced. We know that for granting recognition to non-governmental educational institutions, I.S. was the authority. Now a committee is going to be ; set up and the Committee will only report to the D.P.I. Since then nothing has been done. May I know since when this proposed committee is going to function ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— মে' মাহৰ আগতে পোৰা বিলাক আমি কৰি-বলৈ লৈছো আৰু পিচৰখিনি ডিষ্ট্ৰিক লেভেলত পঠোৱা হৈছে।

শ্ৰীচিলভিয়াচ কন্দপান ঃ— কেতিয়াৰপৰা এই কমিটি বিলাকে কাম কৰিব ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) :— সোনকালেই আৰম্ভ হ'ব।

মৌলানা আব্দুল জলিল চৌধুরী :— মহোদয়, মন্ত্রী মহোদয়ের নিকট থেকে আমি জানতে চাই এই যে জেলাভিত্তিক বোর্ড তৈরী করা হয়েছে— এল. পি এবং এম্. ই স্কুলকে অনুমোদন দেওয়ার জন্য এতে জনসাধারণের আরও অধিক কষ্ট হবে বলে তিনি বিবেচনা করেন না কি ? কারন আগেও এই ক্ষমতা স্কুল বোর্ডের ছিল এবং পরে নানা কারনে তা দিচপুরে কেন্দ্রীভূত করা হয়েছে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী :— অধ্যক্ষ মহোদয়, এটা সময়ত ইন্সপেক্টৰ সকলে এম. ই স্কুলৰ ৰিকগনিচেন দিছিল। আগতে ডি. আইয়ে প্ৰাইমেৰী স্কুল আৰু ইন্সপেক্টৰে এম. ই স্কুলৰ ৰিকগনিচন দিছিল। এইদৰে কৰা কাৰণে বহুতো খেলিমেলি হোৱা বাবে সলনি কৰা হ'ল এইটো কথা আমাৰ বিধায়কসকলেও জানে। হাইলাকান্দিত স্কুল নাই, ঘৰ নাই, কিন্তু ৰিকগনিচন দিয়া হৈছে। গতিকে সেই পাৱাৰখিনি ডি. পি. আই অফিচত দিয়া হৈছে। আমাৰ শিক্ষামন্ত্ৰীয়ে কৈছে যে, এইটো পুনৰ বিবেচনা কৰা হ'ব। আৰু শিক্ষা পদ্ধতিত থকা নৰ্মচ বিলাক বিবেচনা কৰি চাব। কমিটি হৈছে ভাল হৈছে, ইন্সপেক্টৰ আৰু ডি. আই সকলৰ লগতে আপোনালোকও থাকিব।

শ্ৰীহেমেন দাস ঃ— অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী মহোদয়ৰ উত্তৰ প্ৰসংগত এটা কথা মই জানিব বিচাৰিছো যে হাইলাকান্দিৰ যিজন ইন্সপেক্টৰে কাগজত অনুমতি দিছিল সেইজন এতিয়া চাকৰিত আছে নে নাই, যদি আছে চৰকাৰে তেওঁৰ প্ৰতি ইমান দয়ালু কিয় ? তাৰোপৰি, এনে ইন্সপেক্টৰো আছে যি তিন দিনত এখন স্কুল চায়। কলগেচিয়াত দুখন হাইস্কুল খুলিছে সমুখাসমুখীকৈ, তাৰে এখনক ৰিকমান্দ কৰিছে আৰু আনখনক কণ্ট্ৰং ৰিকমান্দ কৰিছে, এইটো কেনেকৈ হ'ব পাৰিছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— এই বিষয়টো এতিয়াৰ নহয়, গতিকে মই কি অৱস্থাত আছে চাব লাগিব।

শ্ৰীআফাজালুৰ ৰহমান :— অধ্যক্ষ মহোদয়, মই জানিব পাৰিছো যে হাইলাকান্দিত বেছি স্কুল দিয়াৰ কাৰণে বিষয়টো ডি. পি. আইৰ হাতলৈ

আনিব লগা হৈছে। যদি জনসংখ্যাৰ ভিত্তিত স্কুল খোলাৰ অনুমতি দিয়াৰ ব্যৱস্থা কৰিলেহেঁতেন তেন্তে এনে নহ'লহেঁতেন। গোৱালপাৰাত স্কুলৰ ৰিটো পাৰচেনটেইজ তাৰ হিচাপত আধা। এই বৈষম্যবিলাক দূৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— প্ৰত্যেক গাঁৱতে প্ৰাইমেৰী স্কুল খোলা হৈছে। ১'৫ কিঃ মিঃ দূৰত প্ৰাইমেৰী স্কুল হ'ব পাৰে।

শ্ৰীআফাজালুৰ ৰহমান :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে প্ৰতি ৫ কিঃ মিঃ এখন এম. ই স্কুল হ'ব পাৰে, মই সেইটো কোৱা নাই, মই কৈছোঁ যে জন সংখ্যাৰ ভিত্তিত স্কুল খোলাৰ ব্যৱস্থা কৰিব নোৱাৰি নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— আমাৰ নতুন নিয়ম মতে প্ৰত্যেক ব্লকতেই স্কুল দিয়া হৈছে। ৰাজ্যখনৰ এই বৈষম্যবিলাক দূৰ কৰাৰ কাৰণে ব্লক ওৱাইজ চাৰ্ভে কৰা হৈছে আৰু চাৰ্ভেৰ ৰিপৰ্ট আহিব লাগিব আৰু তাৰ পিচত চোৱা হ'ব।

**Re : Payment to Assam State Minor Irrigation Development Corporation**

Shri Mohamme Ali asked :

*6. Will the Minister, Irrigation be pleased to state—

(a) Whether it is a fact that the Government is yet to pay Rs. 75 lakhs to Assam State Minor Irrigation Development Corporation Ltd. for completion of contract works ?

(b) If so, the reasons thereof ?

Shri Zahirul Islam (Minister, Irrigation) replied :

6. (a) —No.

(b) —Does not arise.

Shri Md. Umaruddin : Sir, may I knw whether the questioner is the chairman of the Minor Irrigation Development Corporation ?

Shri Zahirul Islam, (Minister) : Yes.

Shri Md. Umaruddin : Sir, is it not a basic principle that an MLA is independent of the executive and is it not a fact that after becoming the chairman of the Minor Irrigation Development Corporation he becomes a part of th executive ?

Shri Zahirul Islam, (Minister) : Chairman is a part of the administration.

Shri Hasanuddin Ahmed : Sir, if so, how can the chairman bring such a question ?

Shri Hiteswar Saikia, (Chief Minister) : I think he gave notice of the question before he became chairman.

Shri Hemen Das : Sir, I cannot agree to that the Chief Minister said. Notice of the Assembly session was given after Shri Md. Ali became chairman.

শ্ৰীমথুৰা ডেকা : অধ্যক্ষ মহোদয়, মন্ত্ৰী আৰু চেয়াৰমেনৰ মাজত কিবা মতানৈক্য আছে নেকি ?

(ৰগৰ কৰি কয়)

**Re : Permission to Dhupaguri Kaloni Basti Ramtiapar M.E. School**

Shri Purna Boro asked :

*7. Will the Minister, Education be pleased to state—

(a) Whether permission and recognition have been accorded to Dhupaguri Kaloni Basti Ramtiapar Girls' M.E. School of Dhing Circle, Nagoan ?

(b) If not, when the permission and recognition would be given ?

Shri Mukut Sarma (Minister, Education) replied :

7. (a) —No.

(b) —The matter will be placed before the Permission/Recognition Committee for consideration when the cases of Nagaon Sub-Division are taken up.

শ্ৰীপূৰ্ণ বৰো ;— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ক'লে যে কলনিবস্তিৰ (ধুপগুৰি ৰামতিপাৰ) এম. ই স্কুলখন এতিয়াও হোৱা নাই। কিন্তু এই স্কুল খনৰ ইন্সপেকশ্যান এটা বহুত আগতেই হৈছিল ; ইন্সপেকশ্যনৰ ৰিপৰ্ট মতে ছাত্ৰী আছে, শিক্ষক আছে আৰু মাটিও আছে, এনে স্থলত অনুমতি কিয় দিয়া হোৱা নাই ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী :— পাৰমিশ্যনৰ কাৰণে যোৱা ২২ মাৰ্চত ইয়ালৈ আহিছিল। চাবডিভিজন ওৱাইজ যেতিয়া পৰীক্ষা কৰা হ'ব তেতিয়া এই-খনৰ কথাও বিবেচনা কৰি চোৱা হ'ব।

শ্ৰীপূৰ্ণ বৰো ঃ— অধ্যক্ষ মহোদয়, ডি. পি. আইৰ পৰা ৰিকগনাইজ কৰাৰ ৰিপৰ্ট ইতিমধ্যেই আহিছে, গতিকে এই স্কুলখনৰ কথা সোনকালে বিবেচনা কৰা হ'বনে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— মই কৈছোঁৱেই যে চাব ডিভিজন ওৱাইজ চিন্তা কৰোঁতে এইখনৰ কথাও চিন্তা কৰা হ'ব।

শ্ৰীপূৰ্ণ বৰো :— অধ্যক্ষ মহোদয়, চিং ধুপগুৰি কলনিবস্তিৰ এম. ই স্কুলখনক ইতিমধ্যেই পাৰমিশ্যান দিয়া হৈছে। যিখন স্কুলত ছাত্ৰী আছে, শিক্ষক আছে আৰু মাটিও আছে সেই স্কুলখনক পাৰমিশ্যন নিদি জটিলতাৰ সৃষ্টি কৰা হৈছে কিয় ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— মোৰ হাতত তেনে কোনো তথ্য নাই, গতিকে পৰীক্ষা কৰি চোৱা হ'ব।

শ্ৰীহেমেন দাস :— ইন্সপেকশ্যনৰ পিচতো আৰু ৰিপৰ্ট দাখিল কৰাৰ পিচত আন ঠাইত এনে ধৰণৰ স্কুলক পাৰমিশ্যন দিয়া হৈছে নেকি ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— মোৰ হাতত তেনে তথ্য নাই।

**Re : Sanction of Post of teacher in L. P. School**

Shri Binoy Kumar Basumatary asked :

*8. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that 2000 posts have been sanctioned for single teacher provincialised L.P. Schools in the State ?

(b) If so, whether it is also a fact that these posts have been distributed Assembly Constituency-wise ?

(c) If so, what will be the number of posts for Bodo medium L.P. Schools and who will distribute these posts ?

(d) Whether these post pertain to the budgetary year of 1993-84 or 1984-85.

Shri Mukut Sarma (Minister, Education) replied :

8. (a) —Yes.

(b) —Yes. 1573 posts have been distributed in 121 constituency at the @ 13 per constituency.

(c) —300 posts out of the 2000 posts have been sanctioned for T.S.P. area irrespective of the medium of instruction. No post have been specifically earmarked for Bodo medium.

These posts will be distributed by Government Sub-Division-wise on the basis of nos. of single teacher Primary Schools under different T.S.P. areas,

(d) —The posts were created in the financial year 1983-84 and are being retained for 1984-85.

শ্ৰীপূৰ্ণ বৰো ঃ— মাননীয় মন্ত্ৰী মহোদয়ে ক'লে ট্ৰাইবেল চাব প্লেনত ৩০০ টা পোষ্ট চেনচন কৰাইছে। তাত বড়ো মাধ্যমৰ কাৰণে সুকীয়াকৈ ৰখা নাই। কিন্তু শিক্ষাৰ মাধ্যম বড়ো ভাষা হোৱা স্বত্তেও কিয় বড়ো মাধ্যমৰ শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা নহ'ল ? যিহেতু তেখেতে কৈছে টি. এচ. পি এৰিয়াত ইৰেচপেকটিভ অব মিডিয়াম ৩০০ টা পোষ্ট দিয়া হ'ব। তেনে ক্ষেত্ৰত আজি কিয় বড়ো মাধ্যমৰ কাৰণে সুকীয়াকৈ পোষ্ট ৰখা নহ'ল ? এইবিলাক পোষ্ট অসমীয়া মিডিয়ামতেই হ'ব যেন অনুমান কৰা হৈছে। গতিকে মই ক'ব খোজো এই ৩০০ টা পোষ্টৰ ভিতৰত বড়ো মাধ্যমৰ কাৰণে সুকীয়াকৈ পোষ্ট ৰখা হ'ব নেকি ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই যে ৩০০ টা টি. এচ. পি এৰিয়াত দিয়া হ'ব সেইবিলাক অকল অসমীয়া মাধ্যমেই নহয় তাত বড়ো মাধ্যমৰ স্কুলও আছে। গতিকে বড়ো মাধ্যমৰ স্কুলেও যে সুবিধা নাপাব সেইটো কোৱা হোৱা নাই। এই ৩০০ টা পোষ্টৰ ভিতৰত বড়ো মাধ্যমো পৰিব।

Shri Benoy Kr. Basumatary :— Sir, if that be the Case then what about the possible part for the budgetory year 1984-85.

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী ঃ— অধ্যক্ষ মহোদয়, এইকেইটা পোষ্ট টি. এচ. পি এৰিয়াৰ কাৰণে আহিছে।

শ্ৰীহৰেণ তালুকদাৰ ঃ— টি. এচ. পি এৰিয়াত সুকীয়াকৈ ৰখা হৈছে আৰু তাৰোপৰি চাব ডিভিজন ওৱাইজ ১৩ টা পোষ্ট বিতৰণ কৰা হ'ব। ইয়াৰ বাহিৰেও এই পোষ্ট কেইটা বেলেগে আহিব নেকি?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই ৩০০ টা পোষ্ট টি. এচ. পি এৰিয়াৰ কাৰণে ৰখা হৈছে।

শ্ৰীমথুৰা ডেকা ঃ— অসমত ২ হাজাৰ পোষ্ট আছে। তাৰে ৩০০ টা পোষ্ট টি. এচ. পিৰ কাৰণে ৰাখিছে। তাৰ বাহিৰেও প্ৰতিটো সমষ্টিত ১৩ টাকৈ পোষ্ট সমষ্টি ভিত্তিত দিয়া হ'ব। এইখিনি দিয়াৰ পাচত হাতে-লোটে কিছু ৰ'ব। সেইখিনিৰ কি ব্যৱস্থা কৰা হ'ব?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— মাননীয় সদস্যগৰাকীৰ এই সংক্ৰান্তত সুকীয়া প্ৰশ্ন আছে। গতিকে তেতিয়া উত্তৰটো দিম নে এতিয়া দিম?

শ্ৰীমথুৰা ডেকা ঃ— পিচত দিলেও হ'ব।

শ্ৰীটিলভিয়াচ কণ্ডপান ঃ— মাননীয় অধ্যক্ষ মহোদয়, ৩০০ টা পোষ্ট টি. এচ. পি এৰিয়াৰ কাৰণে ৰখা হৈছে বুলি কৈছে। মন্ত্ৰী মহোদয়ে কৈছে যে অসমত স্কুলবিলাকৰ ক্ষেত্ৰত টি. এচ. পি আৰু জেনেৰেল এৰিয়া হিচাপে ভাগ কৰাৰ নীতি লৈছে। বড়ো ভাষা শিক্ষাৰ মাধ্যম হিচাবে লৈছে। টি. এচ. পি এৰিয়াত অসমীয়া মিডিয়ামো আছে আৰু বড়ো মিডিয়ামো আছে। গতিকে মিডিয়াম হিচাবে বা মিডিয়ামৰ ভিত্তিত ভগাই দিলে বেচি সুবিধা হ'ব নেকি?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, পোষ্টবিলাক মিডিয়াম লৈ নহয়। আমি টি. এচ. পিৰ কাৰণে ৩০০ টা পোষ্ট ক্ৰিয়েট কৰিছো। ইয়াৰ ভিতৰত অসমীয়া মিডিয়ামো থাকিব পাৰে আৰু বড়ো মিডিয়ামো থাকিব পাৰে।

শ্ৰীহেমেন দাস ঃ— অসমৰ বিভিন্ন ঠাইত অন্য ন্য ভাষা-ভাষী লোকে বিভিন্ন মিডিয়ামৰ স্কুল পাতিছে আৰু আমাৰ নীতি হ'ল প্ৰত্যেক ভাষাকেই আগবঢ়াই লৈ যোৱা। গতিকে তেনেকৈ সুবিধাও দিব লাগিব। এই যে চাব

ডিভিজন ওৱাইজ ১৩ টাকৈ পোষ্ট দিয়া হ'ব তেনে ক্ষেত্ৰত বৰপেটাত এতিয়া কেনে ভাবে বেলেগ বেলেগ ভাষাৰ মাধ্যমত শিক্ষক দিয়া হ'ব তাত কিছুমান বেমেজালি আহি পৰিব। গতিকে কোন মাধ্যমত কিমান দিব লাগিব সেইটো নিৰ্ধাৰিত কৰি দিলে ভাল হয়।

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই যে ১৩ টা পোষ্ট দিয়া হৈছে মাননীয় সদস্যসকলে তেখেতসকলৰ সমষ্টিত বিভিন্ন ভাষা-ভাষীৰ মাধ্যমৰ যি স্কুল আছে তাত সমানে ভগাই দিয়াটো একো অসুবিধা নহ'ব।

শ্ৰীহেমেন দাস ঃ— আমি এপইণ্টমেণ্টৰ ক্ষেত্ৰত ৰিজাৰ্ভেচন এক্টহে ফলো কৰো। এতিয়া আকৌ নতুনকৈ অ. বি. চি আৰু অন্যান্য ওলাইছে সেইটোহে আমি ফলো কৰিম, কিন্তু কোন মিডিয়ামৰ কিমান দিয়া হ'ব সেইটো কেনেকৈ চাম? গতিকে এই বিষয়ে স্পষ্ট এটা নীতি নিৰ্ধাৰণ কৰিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— আমাৰ টি. এচ. পিৰ বাহিৰেও আন বহুতো ঠাই আছে য'ত বিভিন্ন ধৰণৰ ট্ৰাইবেল প্ৰানুহ থাকে, আমাৰ মিচিং, ৰাভা, লালুং কচাৰী আদি ভাষীৰ লোক আছে, যিসকলে অসমীয়া ভাষাকেই মাধ্যম হিচাবে স্কুল বিলাকত গ্ৰহণ কৰিছে। তাবোপৰি সেইবিলাক পিচপৰা অঞ্চলত শিক্ষা অনুস্থান গঢ়ি উঠা নাই। গতিকে তাত অসমীয়া মিডিয়ামত স্কুল চলি আছে। সেই ফালৰপৰা চাই এই টি, এচ. পি ব্যৱস্থা কৰা হৈছে।

Shri Mukut Sarma (Minister) : We have only 300 posts for the year 1984-85.

Shri Benoy Kr. Basumatary : My question is whether these 2000 posts relate to 1983-84 ; the Minister confirmed that ; now what is about posts for the current year 1984-85. Are the government going to deny any posts this year ?

Shri Mukut Sarma (Minister) : We have only 300 posts for the year 1984-85.

Shri Benoy Kr. Basumatary : What about 1984-85.

Shri Mukut Sarma (Minister ঃ We shall have to see the budget provision.

Shri Benoy Kumar Basumatary : Will the Minister confirm that there was a discussion with the Bodo Sathiya Sabhaon 18th July wherein an understanding was given

that all these 300 posts will be alloted to Bodo Medium Schools ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ এই ৩০০টা পোষ্ট টি, এচ্ পি এৰিয়াৰ কাৰণে ৰখা হৈছে।

Shri Benoy Kr. Basumatary : With reference to the Hon'ble Chief Minister reply, can I take it that this year Missing medium schools will be started ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) :— মই আগতেও কৈছো আমাৰ ৰাজ্যখনত বড়ো ভাষাৰ উপৰিও অসমীয়া ভাষা কোৱা অগনণ জনজাতীয় লোক আছে, যিসকলে অসমীয়া ভাষা মিডিয়াম হিচাবে গ্ৰহণ কৰিছে। গতিকে সেই পিচপৰা অঞ্চলবিলাক শিক্ষাৰ প্ৰসাৰ কৰাৰ কাৰণে এই ব্যৱস্থা কৰা হৈছে।

Shri Benoy Kr. Basumatary : That also implies— whether Missing medium schools will be allowed to be introduced this year.

Shri Hiteswar Saikia (Chief Minister) : That is a separate question.

শ্ৰীপূৰ্ণ বড়ো ঃ— এই ৩০০ টা পোষ্টৰ কাৰণে মিচিং বড়ো সাহিত্য সভাই অসমত চলি থকা বড়ো মাধ্যমৰ যিবিলাক স্কুল আছে সেই বিলাকৰ এখন লিষ্ট চৰকাৰক দিছে। সেইটো গ্ৰহণ কৰিছে নেকি ? যদি কৰিছে তেনেহ'লে এই বড়ো মাধ্যমত ৩০০ টা পোষ্ট দিয়া হ'ব নেকি ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) ঃ— আমাৰ হাতত লিষ্ট আহিব পাৰে কিন্তু আমি গ্ৰহণ কৰা নাই। সেইটো আমি পৰীক্ষা কৰি চাম। মই আগতে কৈছো যে টি. এচ. পি এৰিয়াত অসমীয়াৰ বাহিৰেও বড়ো মাধ্যমৰ স্কুলো আছে। সেইবিলাক স্কুলেও পাব। জেনেৰেল এৰিয়াতো আছে তাতো পাব। মাননীয় সদস্যসকলে এই পোষ্টবিলাক বিতৰণ কৰি দিব পাৰিব।

শ্ৰীহৰেণ তালুকদাৰ :— চাব ডিভিজন ওৱাইজ কৰি দিলে কি অসুবিধা আছে ? এই যে ১৩ টা পোষ্ট সমষ্টি ভিত্তিত দিছে তাৰে ফিলআও কৰোতে যথেষ্ট অসুবিধা আহি পৰিব, মিলাব নোৱাৰিব। গতিকে এই ৩০০ টা পোষ্ট চাব-ডিভিজন ওৱাইজ ফিলআপ কৰিব দিলে কি অসুবিধা আছে ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী ঃ— এইটো পৰীক্ষা কৰিবলৈহে দিয়া হৈছে। এইটো নিশ্চয় চিন্তা কৰা হ'ব।

**Re : Supply of Pumpset to rural peasants**

Shri Mohammed Ali asked :

*9. Will the Minister, Irrigation be pleased to state—

(a) Whether it is a fact that Assam State Minor Irrigation Development Corporation has Supplied pumpsets to the rural peasants according to their choice ?

(b) If so, why ?

Shri Zahirul Islam (Minister. Irrigation) replied :

9. (a) —Yes.

(b) —Because the pumpsets would ultimately be the property of the rural peasants, and therefore their choice of the brands is considered desirable.

**Re : Escape of victim from Police Lock-up**

Shri Binoy Kumar Basumatary asked :

*10. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that one, Shri Bilson Daimary, arrested on charges of dacoity by Paneri Police Station in Darrang District broke the police lock-up at Paneri on the night of 30—31st July, 1984 ?

(b) If so, how ?

(c) Is it also a fact that Shri Daimari was tortured during interrogation after his arrest ?

(d) Whether the escapee has since been apprehended ?

Shri Hiteswar Saikia (Chief Minister) replied :

10. (a) —Yes.

(b) —It happened due to negligence of Sentry Constable.

(c) —No such report has been received.

(d) —The escapee could not be traced as yet,

Shri Benoy Kr. Basumatary :— Is the Chief Minister aware that there is a rule that when arrested people are kept in the lock up the O/C of Polic station should check the lock up at least twice a night ?

Shri Hiteswar Saikia (Chief Minister) :— Yes, He might have visited.

Shri Benoy Kr. Basumatary :— Then Sir, why this was not discovered till about 8 0'clock the next day.

Shri Hiteswar Saikia (Chief Minister) :— I have no such information. I am looking into it.

Shri Benoy Kr. Basumatary :— Sir, there is a wide spread suspicion amongst the local tribal people that the young man died due to police atrocities and when we visited the police station we found that the damage purportedly caused in the lock up is not sufficient tolet him escape from the police lock up.

Shri Hiteaswar Saikia (Chief Minister) :— I have no such report.

Shri Benoy Kr. Basumatary :— Will the Chief Minister order for a judicial enquiry as to why this could happen ?

Shri Hiteswar Saikia (Chief Minister) :— Sir, I can make a magisterial enquiry.

## UNSTARRED
## QUESTIIONS AND ANSWERS
(To which replied were laid on the table)

Date : 3rd September, 1984

**বি : অসম মেঘালয় সীমা**

শ্ৰীতাৰিণীয়ে সুধিছে :

১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম মেঘালয় সীমা বিবাদ মীমাংসা হ'ল নেকি ?

(খ) যদি মীমাংসা হ'ল, পশ্চিম গুৱাহাটী সমষ্টিৰ অসম মেঘালয়ৰ সীমা কেনেকৈ চিহ্নিত কৰা হ'ল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

১। (ক) —অসম আৰু মেঘালয় ৰাজ্যৰ সীমা চিহ্নিতকৰণৰ কাম আলোচনাৰ মাধ্যমেৰে সমাধা কৰিবলৈ উভয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) —ওপৰত উল্লেখিত নং (ক) প্ৰশ্ন উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

Shri Purna Boro : Mr. Speaker Sir, I beg to call the attention of the Chief Minister, under Rule 54 of the Rules of procedure and Conduct of Business in Assam Legeslative Assembly to the news item appearing in the 'Agrodoot' dated 26th August, 1984 under the Caption "বন বিভাগৰ দহ লাখ টকাৰ খেলিমেলি"।

## Calling attention notice

শ্ৰীদীননাথ ৰাজখোৱা (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভা প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলী ৫৪ নং নিয়ম অনুসাৰে বিধান সভাৰ মাননীয় সদস্য শ্ৰীপূৰ্ণ বড়োৰ দৃষ্টি আকৰ্ষণকাৰী জাননী মতে ২৬ আগষ্ট ১৯৮৪ চনৰ 'অগ্ৰদূত'ত প্ৰকাশিত 'বন বিভাগৰ দহ লাখ টকাৰ খেলিমেলি'ৰ সন্দৰ্ভত দিয়া বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিত প্ৰকাশ পোৱা মতে উত্তৰ কামৰূপ বনসংমণ্ডল আৰু পূব কামৰূপ বন সংমণ্ডলত নানা ধৰণৰ দুৰ্নীতিয়ে ভালকৈ খোপনি পুতিছে বুলি উঠা অভিযোগটো ভিত্তিহীন।

উত্তৰ কামৰূপ সংমণ্ডলৰ সংমণ্ডল বিষয়া আৰু মধ্য অসম বন সংৰক্ষণে জনোৱা মতে 'Departmental Timber Operation' শিতানত ৯,৯৭,৩০০ টকা (ন লাখ সাতানবই হাজাৰ তিনিশ টকা) যোৱা বিত্তীয় বছৰত অতিৰিক্ত হিচাবে খৰচ কৰা হৈছে। এই অতিৰিক্ত খৰচ বন সংমণ্ডল বিষয়াই কাটিব লগা কাঠ সময় মতে জংঘলৰ পৰা আনিব লগা হোৱাত আৰু যাতে কাঠৰ কোনো প্ৰকাৰে অনিষ্ট সাধন নহয় তাৰ বাবেহে খৰচ কৰিব লগীয়া হয়।

উত্তৰ কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰীয়ে ১৯৮৩ চনৰ পৰা (১৯৮৩-৮৪ বিত্তীয় বছৰ) আগতীয়া হিচাপৰ প্ৰতিবেদন দাখিল নকৰা কথাটো সত্য নহয়। এতিয়ালৈকে এই বিত্তীয় বছৰৰ (১৯৮৪-৮৫) চনৰ মে' মাহলৈকে মাহেকীয়া খৰচৰ দাখিল কৰা প্ৰতিবেদন পোৱা গৈছে।

পূব কামৰূপ বন সংমণ্ডৰ প্ৰাধিকাৰীৰ মাৰ্চ মাহৰ কোনো ধৰণৰ মহেকীয়া খৰচৰ প্ৰতিবেদন পোৱা হৈছে ও মহা গণানিকৰ কাৰ্যালয়লৈকো প্ৰেৰণ কৰা হৈছে।

বিভাগীয় বিত্তীয় বিধি অনুসৰি মাহেকীয়া হিচাবৰ প্ৰতিবেদন দাখিল নকৰাকৈও বন সংমণ্ডল বিষয়াসকলে পিচৰ মাহৰ খৰচ কৰাত কোনো বাধা নাই। সেই কাৰণে এই সংক্ৰান্তত তোলা অভিযোগৰ কোনো ভিত্তি নাই। লগতে বিভাগীয় মুৰব্বীৰ নেৰানেপেৰা অনুৰোধ বন প্ৰাধিকাৰীসকলে উপেক্ষা কৰা কথাটোৰ প্ৰশ্ন নুঠে।

উত্তৰ কামৰূপ বন সংমণ্ডলৰ বৰ্তমানে কাৰ্যভাৰ লৈ থকা বন প্ৰাধিকাৰী গুৱাহাটীৰ বনাঞ্চলিক বিষয়া হিচাবে কাৰ্যভাৰ লৈ থকাৰ সময়ত তেওঁৰ বিপক্ষে উঠা কিছু অভিযোগৰ তদন্ত চলোৱা হৈছিল। এই মৰ্মে এখন প্ৰতিবেদন চৰকাৰৰ ওচৰত মুখ্য বন সংৰক্ষক কাৰ্যালয়ৰ চিঠিৰ নং পি এচ ৮৩২ (বন) তাং ২১।৯।৮০ যোগে দাখিল কৰা হৈছিল। মুখ্য বন সংৰক্ষকৰ প্ৰতিবেদন মতে বিষয়াজনৰ বিপক্ষে অনা অভিযোগ বিলাকৰ কোনো সত্যতা নাছিল। ১৯৮৩ চনত কোনো চৰকাৰী জীপ গাড়ী চুৰি হোৱা নাই।

শ্ৰীপূৰ্ণ বড়ো :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰত ক'লে যে বাতৰি কাকতত প্ৰকাশিত বাতৰিটো বা এই খবৰটো আচলতে সঁচা নহয়। কিন্তু উত্তৰ কামৰূপৰ বন সংমণ্ডল প্ৰাধিকাৰীয়ে যথেষ্ট খেলিমেলি কৰা কথাটো আমি জানো আৰু এই বিধান সভাতেই এইবিলাক অভিযোগ উৎ-

স্থাপিত হৈছে। এনে স্থলত টকাৰ খেলিমেলি কৰা নাই বুলি কৈছে। এই ক্ষেত্ৰত আমাৰ সন্দেহ আছে। গতিকে মন্ত্ৰী মহোদয়ে এই কথাটো আমাক জনালে ভাল হয়। আচলতে ১৯৮৩-৮৪ চনৰ কাৰণে বাজেট শিতানত অনুমোদন কিমান আছিল? আৰু ১০ লাখ টকা বিনা মঞ্জুৰে খৰচ কৰা হয় বুলি কৈছে আৰু মন্ত্ৰী মহোদয়ে ৯ লাখ ৯৭ হাজাৰ ৩ শ টকা খৰচ হৈছে বুলি কৈছে। গতিকে বাজেটত মঞ্জুৰী কিমান আছিল? আৰু কি বেছি খৰচ কৰা হ'ল? উত্তৰ কামৰূপৰ বনাঞ্চল প্ৰাধিকাৰীৰ বিষয়ে যি তদন্ত কৰা হৈছিল সেই তদন্ত পোৱাৰ পাচত তেওঁৰ ওপৰত কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

শ্ৰীদীননাথ ৰাজখোৱা (মন্ত্ৰী) ঃ — তদন্ত কৰিবলৈ দিয়া হৈছে, কিন্তু আমি তদন্তৰ ৰিপৰ্ট এতিয়ালৈকে পোৱা হোৱা নাই। ৰিপৰ্টটো পালে আমি ব্যৱস্থা হাতত ল'ম। বাতৰি কাকতত যিটো ১০ লাখ টকাৰ কথা কৈছে সেইটো ৯ লাখ ৯৭ হাজাৰ ৩ শ টকা, এই টকাতো তাত পৰি থকা কাঠ বিলাক পচি যোৱাৰ ভয়ত কঢ়িয়াই অনা আৰু অন্যান্য দিশত খৰচ কৰা হৈছে। এতিয়াও তদন্তৰ ৰিপৰ্ট আহি পোৱা নাই। গতিকে ৰিপৰ্ট পালে আমি বিহিত ব্যৱস্থা ল'ব পাৰিম আৰু এই ৰিপৰ্টটো সোনকালে দিবৰ কাৰণে আমি জোৰ দিছো।

শ্ৰীমথুৰা ডেকা ঃ— এই সদনতেই অনুসন্ধান কৰি দাখিল কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু আজি তাৰ কোনো ৰিপৰ্ট নাপাই আমি দুখ পাইছো।

শ্ৰীহেমেন দাস ঃ — এই ১৪০০ লোকক নিযুক্তি দি আঁতৰোৱা কথা আমি শুনিছো। এতিয়া এই লোকসকলৰ কি ব্যৱস্থা কৰা হ'ব এই বিধান সভাতেই জনাব পৰা হ'ব নেকি?

শ্ৰীদীননাথ ৰাজখোৱা (মন্ত্ৰী) ঃ — সেইটো এতিয়া ক'ব পৰা নহ'ব।

Shri Binoy Kr. Basumatary :— The problem relating to this observation was raised in 1983 in the Assembly, and we had vociferously demanded his removal. But how is it that the Govt cannot submit its report even after a lapse of one year ?

শ্ৰীদীননাথ ৰাজখোৱা (মন্ত্ৰী) ঃ— তেখেতে কৈছে খেলিমেলি হৈছে। এই বিষয়ে অনুসন্ধান কৰিবলৈ দিয়া হৈছিল; কিন্তু আমাৰ বিষয়াসকল জৰুৰী কামত লাগি থাকিবলগীয়া হোৱাত ৰিপোৰ্টটো সোনকালে উলিয়াব পৰা হোৱা নাই। গতিকে ৰিপৰ্টটো সোনকালে অনিবলৈ ব্যৱস্থা কৰা হ'ব।

শ্ৰীআফজায়ুৰ ৰহমান :— এই যে ৯ লাখ টকা খৰচ কৰা হ'ল সেইটো ডিপাৰ্টমেণ্টেল অপাৰেচন, কাঠ কঢ়িয়াই অনাৰ কাৰণে খৰচ কৰা হ'ল।

এই যিখিনি কাঠ কঢ়িয়াই অনা হ'ল তাৰ ৰয়েলটি কিমান আৰু যি পৰিমাণৰ কাঠ কঢ়িয়াই আনিলে তাত যিমান খৰচ হ'ল কাঠৰ ভেলুৱেচন সিমান হ'ব নে নহয় ? যিহেতু কাঠখিনি পচি যোৱাৰ ভয়ত কঢ়িয়াই অনা হ'ল। তাত কিমান কিউবিক কাঠ আছিল ?

শ্ৰীদীননাথ ৰাজখোৱা (মন্ত্ৰী) :— কেৱল যে কঢ়িয়াই অনাৰ বাবতেই যে এই টকাটো খৰচ কৰা হ'ল সেইটো নহয় আৰু ইয়াৰ লগত অন্যান্য খৰচো সাঙুৰ খাই আছে।

## Matter Under Rule 301

শ্ৰীমহম্মদ আলি ঃ— মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান চৰকাৰ গঠন হোৱাৰ পিচত স্বাস্থ্য বিভাগত কিছুমান সালসলনি ঘটোৱা হৈছে। সেই-বিলাক হ'ল হস্পিতালত প্ৰতি ৰোগীৰ ইয়াৰ আগতে ৩ টকা ৩৬ পইচা পাইছিল। বৰ্তমান ৬ টকা ৫০ পইচা পাইছে। বহুতো ডাক্তৰখানাত ডাক্তৰ নাছিল। ইতিমধ্যে চৰকাৰে বহুত ডাক্তৰখানাত ডাক্তৰ নিয়োগ কৰিছে। এই ফালৰপৰা যদিও স্বাস্থ্য বিভাগৰ কিছু উন্নতি পৰিলক্ষিত হৈছে, আনহাতে স্বাস্থ্য বিভাগত যিবিলাক ডাক্তৰখানা আছে সেইবিলাক ডাক্তৰখানালৈ সাধা-ৰণ ৰাইজে অসুখৰ বাবে ঔষধ বিচাৰি গ'লে সাধাৰণতে ঔষধ পোৱা দেখা নাযায়। ফাৰ্মাচীৰপৰাহে ৰোগীৰ বাবে ঔষধ কিনা দেখা যায়। বিভিন্ন হাস্পাতালত অপাৰেশ্বন কৰিলে স্বাস্থ্য বিভাগত ঔষধ পোৱা নাযায় বুলি কোৱা শুনা যায়। ইতিমধ্যে চৰকাৰে আয়ুৰ্বেদিকত বিভিন্ন ধৰণৰ ঔষধ সুলভ মূল্যত পালেও বেসুলভ হৈ পৰা দেখা গৈছে। এইবিলাকৰ লগতে চৰকাৰে কি কৰিছে নকৰিছে এই সম্পৰ্কে কোনো ব্যৱস্থা থকা বুলি গম পোৱা নাযায়। ৩০১ নম্বৰ নিয়ম অনুসৰি এই ডাক্তৰখানাসমূহত সৰ্বসাধাৰণ ৰাইজে বেমাৰৰ ঔষধ নাপায়, 'প্ৰেচক্ৰিপচন'হে পায়, এই কথাটো মই সদনত উত্থাপন কৰিছো।

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য-গৰাকীয়ে যি কথা উত্থাপন কৰিছে সেই সম্পৰ্কে মই তলত দিয়া কথাখিনি ক'ব বিচাৰিছো। 'বৰ্তমান ডাক্তৰখানা সমূহত সৰ্বসাধাৰণ ৰাইজে বেমাৰৰ ঔষধ নাপায়, প্ৰেচক্ৰিপচনহে পায়' —এই কথা সঁচা নহয়। প্ৰকৃততে দুয়ো-টাই পোৱা যায়।

চৰকাৰী ডাক্তৰখানাসমূহত সাধাৰণ বেমাৰৰ নিম্নতম প্ৰয়োজনীয় ঔষধ মজুত থাকে। অৱশ্যে কিছু সময়ত ইয়াৰ ব্যতিক্ৰম ঘটিব পাৰে।

তেনে পৰিস্থিতিত পৰি প্ৰয়োজনীয় ঔষধ কিনিবৰ বাবে ডাক্তৰে প্ৰেচক্ৰিপচন দিবলগীয়া হয়। এই কথা অৱশ্যে স্বীকাৰ কৰিব লাগিব যে চৰকাৰী ডাক্তৰ-খানাসমূহত সকলো সময়তে সকলো ধৰণৰ সীমিত আবণ্টনৰ বাবে ৰোগীৰ কাৰণে সকলো ঔষধ মজুত ৰখাটো সম্ভৱপৰ নহয়।

জনসংখ্যা বৃদ্ধি আৰু শিক্ষাৰ প্ৰসাৰতাৰ বাবে ডাক্তৰখানাসমূহত ৰোগীৰ সংখ্যা ক্ৰমে বৃদ্ধি পাই আহিছে। তাৰ লগে লগে ঔষধসমূহৰো দাম যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে। কিন্তু সেই অনুপাতে পুঁজি বৰ্ধিত হোৱা নাই। কেৱল অসমতেই নহয় এনে অৱস্থা বৰ্তমান সমগ্ৰ দেশতেই বিৰাজমান।

কেতিয়াবা কেতিয়াবা কেঁচা সামগ্ৰীৰ অভাৱ, ধৰ্মঘট আদিৰ বাবে ঔষধ প্ৰস্তুতকাৰী উদ্যোগসমূহত উৎপাদন বন্ধ হোৱাৰ ফলত আৰু পৰিবহন ব্যৱস্থা বিভিন্ন কাৰণত ব্যাহত হোৱা বাবে প্ৰয়োজনীয় ঔষধ বিভিন্ন ডাক্তৰখানা আদিত সময়মতে যোগান ধৰাত মাজে সময়ে ব্যাঘাট জন্মে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোনটো ইয়াত ক'ব বিচাৰিছে তাক কৈ দিছো। ডাক্তৰখানাবিলাকত কি ধৰণে কেনেকুৱাকৈ ঔষধ বিলাক দিয়ে তাক উল্লেখ কৰিছো। জিলা হস্পিতালবিলাকত বছৰি ২ লাখ টকাকৈ ঔষধ দিয়া হয়। এনেকুৱা ১৬ খন হস্পিতাল আছে, তাত ৩২ লাখ দিয়া হয়। মহকুমা হস্পিতালত বছৰি ১ লাখ টকাকৈ ৩৪ খন হস্পিতালত ৩৪ লাখ টকা দিয়া হয়। ৰুৰেল হস্পিতাল ৯ খন আছে, তাত বছৰি ৫০ হাজাৰ টকাকৈ ৪ লাখ ৫০ হেজাৰ টকা ঔষধৰ বাবদ যায়। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ১৫৫ টাত বছৰি ৪০ হেজাৰকৈ ৬২ লাখ টকা খৰছ হয়। ৰাজ্যিক চিকিৎসালয় ৪৩০ খনত বছৰি ১৫ হেজাৰ টকাকৈ ৬৪ লাখ ৫০ হাজাৰ টকা যায়। চাবচিদিয়াৰী হেলথ চেণ্টাৰ ৫৩ টাত বছৰি ৩০ হেজাৰ টকাকৈ ১৫ লাখ ৯০ হেজাৰ টকা দিয়া হয়। উপ স্বাস্থ্য কেন্দ্ৰত ১,৬৯৮ টাত বছৰি ২ হেজাৰ টকাকৈ ৩৩ লাখ ৯৬ হেজাৰ টকা যায়। সৰ্বমুঠ খৰচ হয় ২ কোটি ৪৫ লাখ ৮৬ হেজাৰ টকা।

ইয়াৰোপৰি আমাৰ মেডিকেল হস্পিতাল ৩ খন আছে। মেডিকেল কলেজসমূহত বছৰি ৭৩ লাখ ২৯ হেজাৰ টকা দিয়া হয়। মানসিক চিকিৎসালয়ত ৫ লাখ টকা যায়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ যক্ষ্মা হস্পিতালত বছৰি ৩ লাখ দিয়া হয়। কুষ্ঠ ৰোগৰ কাৰণে বছৰি ১৩ লাখ টকা দিয়া হয়। যক্ষ্মা হাস্পাতাল আৰু ক্লিনিকসমূহত বছৰি ১৫ লাখ টকা যায়। মেলেৰিয়াত বছৰি ১১ লাখ টকা দিয়া হয়। ইয়াৰোপৰি কৰ্মচাৰীৰ ৰাজ্যিক বীমা আঁচনিৰ চিকিৎসালয়সমূহত বছৰি ১৫ লাখ টকা দিয়া হয়।

এইবিলাকৰ পৰা দেখা যায় ঔষধ আৰু সা-সজুলিৰ কাৰণে মোতামোতি

ভাবে বছৰি ৩ কোটি ৮১ লাখ ১৫ হেজাৰ টকা খৰচ কৰা হয়।

অধ্যক্ষ মহোদয়, ইয়াৰোপৰি আমাৰ কিছুমান চাপচিদাইড ডিচ্‌পিনচেৰী আছে। গাঁৱে-ভূঁইয়ে সেইবিলাকত আমি যদি বছৰি ৰোগীৰ সংখ্যা ১ হেজাৰ হয় তেনেহ'লে ১ হেজাৰ টকাৰ ঔষধ দিয়ে। ৰোগীৰ সংখ্যা যদি ১ হেজাৰ ১ জনব পৰা ১৫ শ জনলৈ তেতিয়া ১৫ শ টকাৰ ঔষধ দিয়া হয়। ১৫ শ ১ জনৰ পৰা ২ হেজাৰলৈ ২ হেজাৰ হয় আৰু ২ হেজাৰ ৫ শ জনৰ ওপৰত ২ হেজাৰ ৫ শ টকা দিয়া হয়। বৰ্তমান অসমত ৪৬ খন এলেপেথিক চাপচিদাইড ডিচপিনচেৰী আছে। এইবিলাকতো ঔষধ দিয়া হয়।

অধ্যক্ষ মহোদয়, ইয়াৰোপৰি আয়ুৰ্বেদিক চাপচিদাইড ডিচপেনচেৰীও আছে। সেইবিলাকত ৰোগীৰ সংখ্যা অনুপাতে ঔষধৰ বাবদ টকা দিয়া হয়। বছৰি ১ হাজাৰ জন ৰোগীৰ বাবে ৬ শ টকা দিয়া হয়। ১ হেজাৰ ১ জনৰ পৰা ১ হেজাৰ ৫ শ জনলৈ ৯ শ টকা যায়। ১ হেজাৰ ১ জনৰ পৰা ২ হেজাৰ ৫ শ জনলৈ ১২ শ টকা বছৰি দিয়া হয়। আৰু ২ হেজাৰ ৫ শ জনৰ ওপৰত ১৫ শ টকা বছৰি খৰচ কৰা হয়। অসমত বৰ্তমান ৬০ খন আয়ুৰ্বেদিক চাপ-চিদাইড ডিচপেনচেৰী আছে।

আমাৰ ৬০ খন আয়ুৰ্বেদিক ৰাজ্যিক চিকিৎসালয় গাঁৱে-ভূঁয়ে আছে। এখন আয়ুৰ্বেদিক কলেজ আছে ঔষধ তৈয়াৰ কৰা কাৰণে কাৰখানা আছে। তাৰ কাৰণে বছৰি ২ লাখ ১০ হাজাৰকৈ টকা দিয়া হয়। এই কথাখিনিৰ পৰা ইয়াকে বুজা যায় যে ঔষধ ডাক্তৰখানাবিলাকত দিয়া হয় আৰু ক'ৰবাত দুই-এখন ডাক্তৰখানাৰ পৰা ঔষধ নোপোৱাৰ অভিযোগ আহে কিন্তু সকলো বিলাক ডাক্তৰখানাতে ঔষধ দিয়া হয়। আমাৰ মাননীয় সদস্যসকলে কৈছে যে সেইবিলাক চোৰা-চিতা কৰা কাৰণে অৰ্থাৎ বেমাৰীয়ে ঔষধ পাইছে নে নাই তাক চাবৰ কাৰণে কমিটি নাই। অৱশ্যে এইটো কথা ঠিক যে দামী দামী যিবিলাক যেনে পেৰামাইচিন আদি ঔষধ ডাক্তৰখানাবিলাকত নাই বা দিব পৰা নাই, সেইবিলাকৰ কাৰণে প্ৰেচক্ৰিপচন দিয়া হয়। কিন্তু যিবিলাক ঔষধ দুখীয়া মানুহবিলাকে কিনিব নোৱাৰে তেওঁলোকক যিমান পৰা যায় ডাক্তৰখানাৰপৰা ঔষধ দিয়াৰ নিৰ্দেশ দিয়া আছে। আমাৰ মাননীয় ৰাজ-বংশী ডাঙৰীয়া স্বাস্থ্যমন্ত্ৰী থাকোতে চিভিল হস্পিতালবিলাকত কমিটি পাতি দিছিল আৰু এই কমিটিবিলাকক পাৱাৰ দিয়া হৈছিল ঔষধ দিয়া হৈছে নে নাই সেইবিলাক চেক কৰিবৰ কাৰণে। আজিও সেই ক্ষমতা কমিটিবিলাকৰ বাহাল আছে। আমি এতিয়া প্ৰাথমিক কেন্দ্ৰ আৰু ৰাজ্যিক চিকিৎসালয়-বিলাকত স্থানীয় বিধান সভাৰ সদস্যসকলক সভাপতি কৰি কমিটি কৰি দিয়াৰ ব্যৱস্থা কৰিছো যাতে সেই কমিটিয়ে চাব পাৰে বেমাৰীয়ে ঔষধ পাইছে নে নাই। ধন্যবাদ।

*Shri Md. Umaruddin : Mr. Speaker, Sir, may I ask for a clarification. The medicines supplied at the hospital for the use of the patients are sold out in the market by the Doctors. Sir, recently one Doctor was caught red-handed when he sold it out in the market. Sir, there are two types of patients in the hospitals- one in the outdoor and the other one in the indoor. All the medicines. that are used for the patients are very expensive medicines. In both the outdoor and indoors there are registers for the patients. But in the registers proper´ records are not maintained, Sir, now the price of medicines have gone up. Sir, I want to know whether the medicines used by the patients according to the prescriptions are really entered into the registers ? A system Should be introduced where the names of the medicines according to the prescriptions are to be entered into the register and dux a duplicate register should be maintained showing the remaining medi cines that are not used and the approximate cost of the medicines. Now, the Hon'ble. Minister has stated that there is a Committee but in fact there is no committee at present to report on this point. Actually, we insist that there should be a committee who could frequently examine the registers of both the indoor and outdoor patients. Therefore, sir. we insist that there should be a committee and this committee should examine the whole system and to see that the money that are placed at the disposal of the Health Deptt. under this provision properly utilised and poor patients who are admitted into the hospitals get the medicines properly. This is my submitsion.

ডা: ভূমিধৰ বৰ্মণ (স্বাস্থ্য মন্ত্রী) :— তেখেতে নিশ্চয় শ্ৰীএচ. এন. চৌধুৰীৰ কথা কৈছে। আমি ইতিমধ্যে ব্যৱস্থা লৈছো।

Mr. Speaker : I do not un lerstand what is the difficulty

*Speech not corrected

to follow the statement of the Minister. Hon'ble Minister has given a statement in a very simple way and I hope the Hon'ble Members have understood it. Now, you can seek a clearification only briefly but yon cannot give a Statement.

শ্ৰীআফজালুৰ ৰহমান ঃ— মই এটা স্পষ্টিকৰণ বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে যি ক্ষেত্ৰত ঔষধ নাথাকে তেতিয়া প্ৰেচক্ৰিপচন দিয়া হয়। মই তেখেতক অনুৰোধ কৰিব বিচাৰিছো যে যিবিলাক পি. এইটচ. চি আছে সেইবিলাকৰ পৰা ৰাজ্যিক চিকিৎসালয়বিলাকত ডাক্তৰ এটাচ কৰি দিয়ে কিন্তু তেওঁলোক কেতিয়াও ৰাজ্যিক চিকিৎসালয়লৈ নাহে। আমাৰ জলেশ্বৰতে তেনেকুৱা হৈছে। ডাক্তৰ নাহে কম্পাউন্দাৰে প্ৰেচক্ৰিপচন দিয়ে। মোৰ নিজৰ চিকিৎসা ডাক্তৰৰ অভাৱত কম্পাউন্দাৰৰ দ্বাৰা কৰাইছো। গতিকে ৰাজ্যিক চিকিৎসালয় বিলাকত ডাক্তৰ একোজন নিগাজীকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) : ৰাজ্যিক চিকিৎসালয়বিলাকত নিগাজীকৈ ডাক্তৰ দিয়া হৈছে। ক'ৰবাত নাথাকিলে দৰ্কাৰবোধে এটাচ কৰা হয়। যদি ক'ৰবাত ডাক্তৰ নাই তেখেতে জনালে নিশ্চয় ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিম।

## Report of the business Advisory Committee

Mr. Speaker : Now, Item No. 4. Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 27th August, 1984, in my chamber at Dispur. The Committee, after discussion, decided that the meeting of the September Session of the Assembly commoncing on and from 3rd September '84, should continue till 12 September, 1984. There will be altogether 6 working days out of which 5 days will be devoted for transcotion of Govt. business and one day for tvansection of Private Members Business. Out of the 5 Govt. days one day will be devoted for Supplementary Demands for Grants and Supplementary Appropriation for 1984-85 including passing of the Appropriation Bill relating to Supplemantary

Demands and Supplementary Appropriations for 1984-85, two days for consideration and passing of Govt. Bills, and the remaining two days for other Govt. Business. A copy of the Calender for the meetings of the current session of the Assembly as settled by the Committee has already been circulated among the Members of the House.

I hope this has the approval of the House,

(Voices, yes, yes).

Now Panel of Chairmen, Item No, (5).

Under Rule 9 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby nominate the following members to constitute the panel of chairmen for the present session of the Assembly :—

1. Shri Altaf Hossain Mazumdar
2. Shri Silvius Condpan
3. Shri Hemen Das
4. Shri Devanand Konwar

Now, Itam No. (6).

## Laying of Rules, Reports etc

Shri Md. Idris (Minister) :— Mr. Speaker, Sir, I beg to lay the Assam Ministers', Ministers of State and Deputy Ministers' (Allowances and privileges) (Amendment) Rules, 1984.

Mr. Speaker :— Item No. 7.

Shri Md. Idris (Minister) :— Mr. Speaker, Sir, I beg to lay the emendments to the Assam Legislative Assembly Members' Salaries and Allowances Rules, 1964.

Shri Dhaniram Rongpi (Minister) :— Sir, I beg to lay Annual the Report, 1977-78 of the Assam Hills Small Industries Development Corporation Limited.

Shri Abdul Muhib Mazumdar (Minister) :— Sir, I beg to lay the Report of the Comptroller & Auditor General of India for the year 1982-83 (Revenue Receipts) relating to the Government of Assam.

Mr. Speaker :— Item No. 10.

Shri Abdul Muhib Mazumdar (Minister) :— Sir, I beg to lay the Report of the Comptroller & Auditor General of India for the year 1982-83 (Commercial) relating to the Government of Assam.

Mr. Speaker : — Now Item No. 11.

## Election of Members to Legislature Committees

Shri Abdul Muhib Mazumdar (Minister) :— Sir, I beg to move that this Assembly do elect one member of the Assembly in accordance with the provision of Rule 260 B of the Rules of Procedure And Conduct of Business in Assam Legislative Assembly to the Committee on Public Undertakings to fill up the vacancy caused by cessation of Membership of Shri Borgoram Deuri, Member of the Committee on Public Undertakings on his appointment as Minister of State under provision to Rule 260 B (I). The newly elected member shall hold of ice for the remaining unexpired period of the term of the Committee.

Mr. Speaker :— Now I put the motion that this Assembly do elect one member of the Assembly in accordance with the provision of Rule 260 B of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee of Public Undertakings to fill up the vacancy caused by cessation of membership of Shri Borgoram Deuri, Member of the Committee on Public Undertakings on his appointment as Minister of State under

provision of Rule 260 B (I). The newly elected member shall hold office for the remaining unexpired period of the term of the Committee.

The motion passed. The Secretary will notify the date, time and place for holding the election, if necessary.

Now item No. 12.

Shri Abdul Muhib Mazumdar (Minister) :— Mr. Speaker, Sir, I beg to move that this Assembly do elect two members of the Assembly in accordance with the provision of Rule 260 D (I) of the Rules of procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Welfare of Scheduled Castes and Scheduled Tribes to fill up the vacancies caused by cessation of membership of Shri Nepal Chandra Das and Shri Borogoram Deuri, Members of the Committee on Welfare of Scheduled Castes and Scheduled Tribes on their appointment as Minister of State under provision to Rule 260 D (I). The newly elected members shall hold office for the remaining unexpired period of the term of the Committee.

Mr. Speaker :— Now I put the motion that this Assembly do elect two Members of the Assembly in accordance with the provision of Rule 260 D (I) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the Committee on Welfare of Scheduled Castes and Scheduled Tribes to fill up the vacancies caused by cessation of membership of Shri Nepal Chandra Das and Shri Borgoram Deuri, Members of the Committee on Welfare of Scheduled Castes and Seheduled Tribes on their appointment as Minister of State under provision of Rule 260 D (I). The newly elected members shall hold office for the remaining unexpired period of the term of the Committee.

The motion is passed. The Secretary will notify the date,t time and place for holding the election, if necessary.

Now item No. 13.

## Introduction of Government Bills

Shri Hiteswar Saikia (Chief Minister) :— Sir, I beg leave to introduce the Code of Criminal Procedure (Assam Amendment) Bill, 1984.

Mr. Speaker : – Is it the pleasure of the House to grant leave to introduce the Code of Criminal Procedure (Assam Amendment) Bill, 1984 ?

(Voices : yes, yes).

The leave is granted.

Shri Hiteswar Saikia (Chief Minister) :— Sir, I beg to introduce the Code of Criminal Procedure (Assam Amendment) Bills, 1984.

(Secretary read out the title of the Bill introduced).

Shri Rameswar Dhanwar (Minister) :— Sir, I beg leave to introduce the Assam Workmen's Protections Bill, 1984.

Mr. Speaker :— Is it the pleasure of the House to grant leave to introduce the Assam Workmen's Bill, 1984 ?

(Voices : yes, yes)

The leave is granted.

Shri Rameswar Dhanwar (Minister) :— Sir, I beg to introduce the Assam Workmen's Protections Bill, 1984.

(Secretary read out the title of the Bill introduced).

## Obituary Reference

Mr. Speaker : – I rise to condole the death of late Sarbasree Santosh Kumar Barua, Raja Ajit Narayan Deb,

Kamakhya Prasad Tripathi, ex-members of this august House and B.V. Keskar, former Member of Parliament.

Born in March, 1901 Shri Barua received his higher education in Cotton College and Scottish Churches College, Calcutta. He represented Assam in the Senate of the Calcutta University and served as the Chairman of Dhubri Local Board for about 20 years continuously.

He actively participated in the non-cooperation movement when he was a student. He was elected to the Assam Legislative Assembly for several times before and after the independence. He was a noted social worker and was connected with many cultural and educational institutions. He died in April, 1984 at the age of 84.

Born at Bidyapur, Goalpara in 1910 Raja Ajit Narayan Deb received his higher education in Presidency College, and University Law College, Calcutta. Raja was a noted social worker and was President of the Goalpara District Rajbanshi Khatriya Samiti in 1935. He was elected to the Assam Legislative Assembly in 1937 as independent member and joined the Congress coalition Ministry in 1938. Thereafter he was elected to Assam Legislative Assembly twice. He served as a Member of the Assam Public Service Commission and also as the Chairman, Oil India Limited. He was loved and respected by all for his amiable disposition. This noted social worker died on 17th April, 1984.

Born in February 1910, Shri K.P. Tripathi received his higher education from the Calcutta University. He was a noted educationist and freedom fighter and was imprisioned twice. He was keenly interested with the workers' education and he joined the Trade Union Movement in 1940. He became the President of the Assam Branch of INTUC and Vice President of the Central INTUC.

He represented the Indian working class in a number of international forums. He Held a number of responsible positions. He was a member of Parliament and member of the Assam Legislative Assembly. He served as Minister, Labour and Industries, and also Minister of Finance. He was also appointed as the Chairman of the National Textile Corporation and was one of the members of the Board of Directors of the Industrial Finance Corporation. People of Assam whom he served for a long time, will remember him as a seasoned parliamentarian, administrator and a veteran trade unionist. He died on 15th April, 1984 at the age of 74 yrs.

Born in 1903, Shri B.V. Keskar was a noted social worker. He joined the Indian National Congress in 1920, and actively participated in the freedom struggle. He suffered imprisenment during the Quit India Movement. He was elected to the Lok Sabha in 1952 and was appointed Minister of Information & Boradcasting. This noted freedom fighter and social worker died on 28th August 1984.

In the death of these four illustrious persons, we have lost noted freedom fighters and dedicated social workers. I now request all Hon. Members to rise in their seats to observe two minutes' silence as a mark of respect to the departed souls.

(The Members observed two minutes' silence as a mark of respect to the departed souls.)

The House stands adjourned till 10.00 A.M. tomorrow, the 4th September 1984.

## ADJOURNMENT

The House rose at 11-43 A.m. and stood adjourned till 10 A.M. on Tuesday, the 4th September, 1984.

**P. B. Barua.**
Secretary
Assam Legislative Assembly.

Dated Dispur,
The 3rd September, 1984